**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সাহায্য আৰু উদ্ধাৰ অভিযানত জড়িত হোৱা লোকসকলৰ কৰ্মস্পৃহাক প্ৰশংসা কৰিছে।

২। নতুন সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাই মূলধনী ব্যয়ত প্ৰভাৱ নেপেলায় বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰকাশ কৰিছে।

৩। চৰকাৰে বন্দৰ, জাহাজ পৰিবহণ, জাহাজ নিৰ্মাণ আৰু আভ্যন্তৰীণ জলপথৰ বিকাশেৰে ২০৪৭ চনৰ ভিতৰত দেশৰ সামুদ্ৰিক খণ্ডলৈ বৈপ্লৱিক পৰিৱৰ্তন অনাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

৪। কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কয়, যে পঞ্জাৱ আৰু হিমাচল প্ৰদেশৰ বান ক্ষতিগ্ৰস্ত এলেকাসমূহত উদ্ধাৰ অভিযানৰ বাবে এহেজাৰৰো অধিক প্ৰশিক্ষণপ্ৰাপ্ত মাই ভাৰত স্বেচ্ছাসেৱক নিয়োজিত কৰা হ'ব। ***আৰু***

৫। বিহাৰৰ ৰাজগিৰত অনুষ্ঠিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সমগ্ৰ দেশত সাহায্য আৰু উদ্ধাৰ অভিযানত জড়িত হোৱা লোকসকলৰ কৰ্মস্পৃহাক প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে এইবাৰ বৰ্ষাকালত প্ৰাকৃতিক দুৰ্যোগৰ ঘটনাসমূহক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। উত্তৰাখণ্ড, হিমাচল প্ৰদেশ, জম্মু আৰু কাশ্মীৰ, পঞ্জাৱ আৰু অসমকে ধৰি বিভিন্ন প্ৰান্তৰ পাহাৰীয়া অঞ্চলত হোৱা ডাৱৰ বিস্ফোৰণ আৰু ভৈয়াম অঞ্চলত হোৱা বানৰ ফলত ভালেমান লোকে প্ৰাণ হেৰুওৱাক লৈ ৰাষ্ট্ৰপতিগৰাকীয়ে দুখ প্ৰকাশ কৰে। তেওঁ এনে ধৰণৰ প্ৰাকৃতিক দুৰ্যোগৰ প্ৰত্যাহ্বানসমূহৰ পৰা দেশে পৰিত্ৰাণ পাবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয়, যে নতুন সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাই জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰিব আৰু এই ব্যৱস্থাই মূলধনী ব্যয়ত প্ৰভাৱ নেপেলায়। এটা ব্যক্তিগত সংবাদ মাধ্যমৰ সাক্ষাৎকাৰত শ্ৰীমতী সীতাৰমনে কয় যে ৯৯ শতাংশ সামগ্ৰী আৰু সেৱা কৰ শূন্য অথবা ৫ৰ পৰা ১৮ শতাংশৰ ভিতৰত ৰখা হৈছে। তেওঁ কয় যে পেট্ৰ'লিয়ামজাত সামগ্ৰী আৰু সুৰাক বৰ্তমানৰ জি এছ টিৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে। আমেৰিকাই ৫০ শতাংশ শুল্ক আৰোপ কৰাৰ ফলত প্ৰভাৱ পৰা ৰপ্তানিকাৰীসকলৰ সুবিধাৰ্থে কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি শ্ৰীমতী সীতাৰমনে জানিবলৈ দিয়ে। ইপিনে আকাশবাণীৰ বাতৰিৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত কেন্দ্ৰীয় অপ্ৰত্যক্ষ কৰ আৰু সীমা শুল্ক

পৰিষদৰ অধ্যক্ষ সঞ্জয় কুমাৰ আগৰৱালে এই জি এছ টি সংস্কাৰক সাহসী আৰু ব্যাপক পদক্ষেপ বুলি অভিহিত কৰে।

00000

**সপ্তাহান্তত অৰ্থাৎ যোৱা ২৯ আগষ্টত ভাৰতীয় বৈদেশিক মদ্ৰাৰ ভাণ্ডাৰ ৩ দশমিক পাঁচ এক বিলিয়ন ডলাৰৰ পৰা ছশ ৯৪ দশমিক ২ বিলিয়ন ডলাৰলৈ বৰ্দ্ধি হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰা সাপ্তাহিক পৰিসংখ্যা পৰিপৰিকাৰ মতে যোৱা সপ্তাহলৈ বৈদেশিক মদ্ৰাৰ ভাণ্ডাৰ এক দশমিক ছয় ন বিলিয়ন ডলাৰকৈ বৰ্দ্ধি হৈ ৫৮৩ দশমিক ৯ বিলিয়ন ডলাৰ হৈছেগৈ।একেদৰে স্বৰ্ণ ভাণ্ডাৰো ৮৬ দশমিক সাত ছয় বিলিয়ন ডলাৰ হৈছে। আন্তঃৰাষ্ট্ৰীয় মদ্ৰা নিধিত কেন্দ্ৰীয় বেংকৰ স্তান ১কোটি ৮০ লাখ ডলাৰ বৃদ্ধি হৈ ৪দশমিক সাত চাৰি বিলিয়ন ডলাৰতকৈও অধিক হৈছিল।**

00000

চৰকাৰে বন্দৰ, জাহাজ পৰিবহণ, জাহাজ নিৰ্মাণ আৰু আভ্যন্তৰীণ জলপথৰ বিকাশৰ বাবে ৮০ লাখ কোটি টকা বিনিয়োগেৰে ২০৪৭ চনৰ ভিতৰত দেশৰ সামুদ্ৰিক খণ্ডলৈ বৈপ্লৱিক পৰিৱৰ্তন অনাৰ লক্ষ্য নিৰ্ধাৰণ কৰিবছে। তামিলনাডুৰ টুতিক'ৰিনত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে সাগৰমালা আঁচনিৰ অধীনত নতুন মৎস্য বন্দৰ স্থাপনৰ জৰিয়তে উপকূলীয় লোকসকলৰ জীৱন উন্নত কৰি তোলা হৈছে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সামুদ্ৰিক উদ্ভাৱন আৰু যোগাযোগ ব্যৱস্থাই দেশৰ বিকাশত তামিলনাডুৰ ভূমিকাত বিশেষ গুৰুত্ব আৰোপ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি টুতিক'ৰিনৰ ভি অ' চিদাম্বৰনাৰ বন্দৰত সেউজ হাইড্ৰ'জেন পাইলট প্ৰকল্পকে ধৰি ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰে।

00000

কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কয়, যে পঞ্জাৱ আৰু হিমাচল প্ৰদেশৰ বান ক্ষতিগ্ৰস্ত এলেকাসমূহত উদ্ধাৰ অভিযানৰ বাবে এহেজাৰৰো অধিক প্ৰশিক্ষণপ্ৰাপ্ত **মাই ভাৰত আপদা মিত্ৰ**ক নিয়োজিত কৰা হ'ব। নতুন দিল্লীৰ মাই ভাৰত মুখ্য কাৰ্যালয়ত কালি এখন উচ্চ পৰ্যায়ৰ বৈঠকত অংশ লৈ শ্ৰীমন্দাভিয়াই ক্ষতিগ্ৰস্ত লোকসকলক সময়মতে সাহায্য প্ৰদানৰ বাবে জিলা দণ্ডাধীশৰ সৈতে সহযোগিতা ৰক্ষা কৰি কাম কৰিবলৈ মাই ভাৰতৰ স্বেচ্ছাসেৱক আৰু জিলা যুৱ বিষয়াসকলক আহ্বান জনায়। মাই ভাৰত হৈছে ৰাষ্ট্ৰজোৰা ডিজিটেল মঞ্চ য'ত স্বেচ্ছাসেৱীমূলক কাম আৰু পৰীক্ষামূলক শিকনৰ জৰিয়তে যুৱক-যুৱতীসকলক সৱলীকৰণৰ চেষ্টা কৰা হয়।

00000

জম্মু-কাশ্মীৰৰ ৰিয়েছি জিলাত শেহতীয়াকৈ প্ৰবল বৰষুণ আৰু ভূমিস্খলনৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ উদ্দেশ্যে এটা আন্তঃমন্ত্ৰ্যালয় কেন্দ্ৰীয় দলে কালি ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে। দলটোৱে সমুদায়ভিত্তিত দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰস্তুতি শক্তিশালী কৰা আৰু গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিসমূহ পুনৰুদ্ধাৰ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ যুটীয়া সচিব কৰ্ণেল কীৰ্তি প্ৰতাপ সিঙে নেতৃত্ব দিয়া কেন্দ্ৰীয় দলটোৱে যোৱা বৃহস্পতিবাৰে কাথুৱা আৰু কালি উধমপুৰ আৰু ৰিয়েছি জিলা পৰিদৰ্শন কৰে। দলটোৱে ড'মেল-কাটৰা ঘাইপথ, ভূমিস্খলন প্ৰভাৱিত বাল্লানি দলং আৰু কাটৰাৰ শনি মন্দিৰকে ধৰি বানত ক্ষতিগ্ৰস্ত বহুকেইটা অঞ্চল নিৰীক্ষণ কৰে। দলটোৱে লগতে খেতি পথাৰ পৰ্যবেক্ষণ কৰি শস্য ক্ষতিৰ পৰ্যালোচনা কৰাৰ লগতে কৃষকসকলৰ সৈতেও মত বিনিময় কৰে।

বিষয়াসকলে জনোৱা মতে মাহোৰে, জামেছলন আৰু ছুৰত ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে সাহায্য শিবিৰ স্থাপন কৰা হৈছে আৰু তেওঁলোকক খাদ্য আৰু চিকিৎসা সেৱাকে ধৰি অন্যান্য যাৱতীয় সুবিধাসমূহ প্ৰদান কৰা হৈছে।

ইপিনে বায়ুসেনা বাহিনীয়ে কালি উধমপুৰ জিলাৰ ডাম'তে পঞ্চায়তৰ বানত ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে প্ৰায় ৬ টন সাহায্য সামগ্ৰীৰ যোগান ধৰে।

ooooo

**পঞ্জাৱ আৰু উত্তৰ ভাৰতৰ বান প্ৰভাৱিত অঞ্চলত চিকিৎসা আৰু মানৱীয় সাহায্য আগবঢ়োৱাৰ উদ্দেশ্যে নতুন দিল্লীস্থিত অখিল ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান, এইমছৰ ডাক্তৰ-নাৰ্ছ সমন্বিত এটা চিকিৎসা কৰ্মীৰ দল নিয়োজন কৰা হৈছে। দলটোত মেডিচিন, মনোৰোগ, শিশুৰোগ, শল্য চিকিৎসা, প্ৰসুতিৰোগ আদি কেইবাটাও বিভাগৰ এঘাৰ গৰাকী বিভাগীয় চিকিৎসক আৰু এঘাৰ গৰাকী নাৰ্ছ আছে। এটা বিজ্ঞপ্তিত এইমছ কৰ্তৃপক্ষই কয় যে স্মাস্থ্যকৰ্মীৰ এই দলটোৱে প্ৰয়োজনীয় চিকিৎসা সেৱা, ঔষধ বিতৰণ আৰু বান প্ৰভাৱিত লোকসকলক সহায়-সমৰ্থন জনোৱাৰ বাবে কাম কৰি যাব। আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত এইমছৰ সহযোগী অধ্যাপক ডাঃ অমৰিন্দৰ সিঙে কয় যে চিকিৎসা কৰ্মীৰ দলটোৱে প্ৰভাৱিত লোকসকলক ততালিকে সেৱা আগবঢ়োৱাৰ লগতে স্বাস্থ্যজনিত যিকোনো সমস্যা সমাধান কৰিব পৰাকৈ স্বাস্থ্যকৰ্মীৰ দলটো প্ৰশিক্ষিত আৰু সুসজ্জিত বুলি প্ৰকাশ কৰিছে।**

ooooo

মৰিচাছৰ প্ৰধানমন্ত্ৰী ড০ নবীনচন্দ্ৰ ৰামগোলাম অহা ৯ ছেপ্তেম্বৰত ৮ দিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দুয়োখন দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্ব সুদৃঢ় কৰাৰ সন্দৰ্ভত আলোচনাত মিলিত হ'ব। শ্ৰীৰামগোলামে মুম্বাই, বাৰাণসী, অযোধ্যা আৰু তিৰুপতি ভ্ৰমণ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে এই ভ্ৰমণে ভাৰত আৰু মৰিচাছৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰিব। প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ শাসনকালত শ্ৰীৰামগোলাম প্ৰথমবাৰৰ বাবে দ্বিপাক্ষিক ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব।

ooooo

বিহাৰৰ ৰাজগিৰত অনুষ্ঠিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৰাজগিৰ আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত খেলখন আৰম্ভ হ'ব। ভাৰত ইয়াৰ পূৰ্বে এখন খেলত জয়ী আৰু এখন খেলত ড্ৰ' হৈ ৪ পইণ্টেৰে ছুপাৰ ফ'ৰ পৰ্যায়ৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। ভাৰতীয় দলটো সমগ্ৰ প্ৰতিযোগিতাখনত অপ্ৰতিৰোধ্য হৈ আহিছে আৰু এইবাৰৰ এছিয়া কাপত শক্তিশালী দল হিচাপে বিবেচিত হৈছে। যোৱা বৃহস্পতিবাৰে ভাৰতে মালয়েছিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আজি হ'বলগীয়া ছুপাৰ ফ'ৰ পৰ্যায়ৰ আন এখন খেলত বিয়লি ৫ বজাত কোৰিয়া আৰু মালয়েছিয়া মুখামুখি হ'ব।

ooooo

দক্ষিণ কোৰিয়াৰ গুৱাংজুত আজিৰে পৰা হ'বলগীয়া বিশ্ব আৰ্চাৰী চেম্পিয়নশ্বিপত ভাৰতৰ এটা ১২ জনীয়া দলে অংশ ল'ব। প্ৰতিযোগিতাখনৰ বিগত সংস্কৰণত ৩টা সোণ আৰু এটা ব্ৰঞ্জৰ পদকেৰে শীৰ্ষত থকা ভাৰতে এই সাফল্যৰ পুনৰাবৃত্তি কৰাৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। অৱশ্যে যোৱাবাৰৰ চেম্পিয়ন অ'জাছ

দেওতালে আৰু অদিতী গোপীচান্দ স্বামী দলৰ বাবে কোৱালিফাই নোহোৱাত এইবাৰৰ প্ৰতিযোগিতাত ভাগ ল'ব নোৱাৰে। উল্লেখযোগ্য যে ৰিকাৰ্ভ আৰ্চাৰীত ভাৰতে এতিয়ালৈকে সোণৰ পদক জয় কৰা নাই। এইবাৰো পুনৰ দিপিকা কুমাৰী আৰু ধীৰাজ বোম্মাদেৱাৰাই সোণৰ পদক জয়ৰ চেষ্টা চলাব। এইবাৰ পুৰুষৰ ৰিকাৰ্ভ দলৰ পৰা তৰুণদীপ ৰায় আৰু অতনু দাসৰ দৰে অভিজ্ঞ খেলুৱৈ বাহিৰ হৈছে।

০০০০০

সমাপ্ত